# REGIONEL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড° সোনাল মানসিঙক আজি প্ৰদান কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড° মানসিঙক এই বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সুচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। কামৰূপ জিলাৰ শুৱালকুছিৰ একশৰণ মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ শুৱালকুছিৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। আজি পুৱা ঊষা কীৰ্তন আৰু ধৰ্মীয় পতাকা উত্তোলন কৰা হয়। দিনৰ ভাগত নামপ্ৰসংগ, পাঠ, চৰিত তোলা, সেৱাৰ গীত পৰিৱেশন কৰাৰ লগতে ধৰ্মালোচনী সভা অনুষ্ঠিত হৈছে।

বৰপেটা জিলাত গুৰুজনাই স্থাপন কৰা সুন্দৰীদিয়া, বৰপেটা, বাৰাদি সত্ৰকে ধৰি বিভিন্ন স্থানত আজি পুৱাৰে পৰা মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বিশেষকৈ বৰপেটা সত্ৰত সত্ৰীয়া পৰম্পৰাৰ অংশ হিচাপে নিয়মীয়া প্ৰসংগৰ উপৰি নৈমিত্তিক প্ৰসংগৰ আয়োজন কৰা হৈছে। ধুবুৰীৰ গোলকগঞ্জৰ ৰামৰাইকুটী সত্ৰত আজি পুৱাৰেপৰা মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে নাম-প্ৰসংগ, গায়ন-বায়ন, ঘোষা-কীৰ্তন, ব্যাস-কীৰ্তন পৰিৱেশন কৰা হৈছে। সত্ৰখনত আজি পুৱাৰেপৰাই যথেষ্ট লোকৰ সমাগম হোৱা দেখিবলৈ পোৱা গৈছে। শোণিতপুৰ জিলাৰ শ্ৰীশ্ৰী হুদুপাৰা নামঘৰ, কেতেকীবাৰী বৰনামঘৰ, কামৰূপীয়া নামঘৰকে ধৰি আন আন সত্ৰৰ নামঘৰসমূহত উলহ-মালহেৰে গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰীশ্ৰী মাধৱদেৱৰ পবিত্ৰ আবিৰ্ভাৱ তিথি উপলক্ষে গুৰুজনাৰ শ্ৰী চৰণত সেৱা জনাইছে। মহাপুৰুষজনাৰ আধ্যাত্মিক কৰ্মৰাজি, দাৰ্শনিক অন্তৰ্দৃষ্টি আৰু সমাজৰ প্ৰতি শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাই নৱ প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

oooooo

সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত, অসমৰ লোক সংগীত আৰু বিহুৰ অপ্ৰতিদ্বন্দ্বী শিল্পী খগেন মহন্তৰ মৃত্যু দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে ১৯৬৫ চনৰ পৰা গীত পৰিৱেশন আৰম্ভ কৰা শিল্পীগৰাকীয়ে ১৯৭২ চনত প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোক সংগীতৰ শিল্পী হিচাপে স্বীকৃতি লাভ কৰে। প্ৰথমে আকাশবাণীৰ সুৰকাৰ হিচাপে নিয়োজিত হৈ পাছলৈ সংগীত প্ৰযোজকৰ দায়িত্ব গ্ৰহণ কৰে। ২০০১ চনত আকাশবাণীৰ উত্তৰ-পূৱ সঞ্চালকালয়ৰ উপ-সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা শিল্পীগৰাকীয়ে অসমীয়া লোক-সংগীতৰ শিল্পীসকলক বিচাৰি উলিয়াবৰ বাবে বিভিন্ন পদক্ষেপ লৈছিল। গাঁৱে-ভূঞে গৈ চহা মানুহৰ মাজত গীত পৰিৱেশন কৰাৰ লগতে লোকগীতৰ লেচেৰী বুটলি এনে গীতসমূহ সংৰক্ষণৰ দিহা কৰাৰ ক্ষেত্ৰতো তেওঁ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। ২৩ খন অসমীয়া চলচ্চিত্ৰত নেপথ্য শিল্পী হিচাপে কণ্ঠদান কৰা শিল্পীগৰাকীয়ে তিনিখন অসমীয়া  চলচ্চিত্ৰ পৰিচালনাও কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে শিল্পীগৰাকীৰ গীতত মাটি আৰু মানুহৰ কাহিনী অনুৰণিত হয় বুলি উল্লেখ কৰে।

০০০০০০০০০

অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ উদ্যোগত মাজুলী জিলা স্বাস্থ্য বিভাগে জিলাখনৰ কেইবাটাও অঞ্চলৰ বন্ধ পুখুৰী জলাশয়ত বিশেষ মাছৰ পোণা মেলি দিছে। মেলেৰিয়া বিয়পোৱা মহৰ কণী খাই বংশ বিস্তাৰ প্ৰতিৰোধ কৰিব পৰা এই বিশেষ মাছ দুবিধ হৈছে – গাম্বোছিয়া আৰু কিলিফিছ। ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অধীনত মাজুলীত কালিৰেপৰা ২০০০ মাছৰ পোণা মেলেৰিয়াপ্ৰৱণ অঞ্চলসমূহত মেলি দিয়া হৈছে। জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু যুটীয়া স্বাস্থ্য সঞ্চালক কিশোৰ কামানে ইয়াৰ নেতৃত্ব গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে মাজুলীত ডেংগু, এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধিৰ লগতে চলিত বছৰত এজন ৰোগীৰ শৰীৰত মেলেৰিয়া ৰোগ ধৰা পৰিছে।

০০০০০০০

বাৰিষাৰ সময়ত ডেংগু, মেলেৰীয়া, জাপানীজ এনচেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ সন্দৰ্ভত যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা কাৰ্যবাহিনীৰ এখন সভা অনুষ্ঠিত হয়।  অতিৰিক্ত জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বাহকজনিত ৰোগ নিয়ন্ত্ৰণ তথা নিৰাময়ৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত যোৰহাট পৌৰসভাৰ পৌৰপতি, জিলা প্ৰশাসনৰ বিষয়াসকলৰ উপৰি স্বাস্থ্য বিভাগৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০০০

সমাপ্ত